بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ সৈতে সম্পৰ্কিত আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ জীৱনৰ কিছুমান ঘটনাৱলী সমূহৰ বৰ্ণনা, বনু কিনাকাৰ যুদ্ধৰ বিতং ব্যাখ্যা আৰু ইজৰাইলৰ হামাছৰ যুদ্ধৰ ভয়াবহ পৰিস্থিতিৰ পৰা পৰিত্ৰানাৰ্থে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ অক্টোবৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে আলোচনা আৰু বৰ্ণনা চলি আছিল। আঁহজৰত (ছাঃ)য়ে নিজৰ জীয়েক আৰু জোৱায়েকক তাহাজ্জুদ নামাজ পঢ়াৰ ফালে মনোযোগ দিবলৈ কোৱা সম্পৰ্কে হাদীছ বুখাৰী শ্বৰীফত এনেদৰে উল্লেখ আছে যে হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এদিন হুজুৰ (ছাঃ)য়ে আমাৰ ঘৰলৈ আহি আমাক সুধিছিল যে আমি তাহাজ্জুদৰ নামাজ পঢ়োনে নাই। তেতিয়া মই উত্তৰ দিছিলো যে আমাৰ প্ৰাণ আল্লাহ তা'লাৰ হাতৰ মুঠিত আছে, যেতিয়া বিচাৰিব তেতিয়াই সি উঠাই লৈ যাব পাৰে। এই উত্তৰ শুনি আঁহজৰত (ছাঃ)য়ে কোনো উত্তৰ নিদিয়াকৈ মনে মনে ওভতি গৈছিল আৰু কৈছিল যে মানুহ আটাইতকৈ বেছি তৰ্ক কৰোঁতা হয়।

হজৰত মুচলেহ মাওউদ (আঃ)য়ে এই ঘটনা বৰ্ণনা কৰোঁতে এঠাইত লিখিছে যে যেতিয়া হজৰত আলি (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ প্ৰশ্নৰ উত্তৰ এইদৰে দিছিল, য'ত এটা বিতৰ্কিত ভাৱ মিশ্ৰিত আছিল, সেয়া শুনিও আঁহজৰত (ছাঃ)য়ে কোনো অসন্তুষ্টি প্ৰকাশ কৰাৰ সলনি এনেকুৱা সুন্দৰ প্ৰক্ৰিয়া অৱলম্বন কৰিছিল যে সম্ভৱত হজৰত আলি (ৰাঃ)য়ে নিজৰ জীৱনৰ শেষ নিশ্বাসলৈকে এটা মৃদু অনুশোচনাও ভুগিছিল। তেখেত (ৰাঃ)য়ে যি অনুতাপ কৰিছিল সেয়া তাৰ কথাৰ পৰিণতিহে আছিল। এই বিষয়ে আঁহজৰত (ছাঃ)য়ে মনে মনে বেজাৰ পোৱাটো সকলোৱে অনুমান কৰি বৰ আচৰিত হৈছিল। আঁহজৰত (ছাঃ)য়ে আৰু বহু কথা হজৰত আলি (ৰাঃ)ক ক'ব পাৰিলেহেঁতেন কিন্তু কোৱা নাছিল। আচলতে আঁহজৰত (ছাঃ)য়ে নিজে নিজে প্ৰকাশ কৰা কথা খিনিত বৰ মহত্ব লুকাই ৰাখিছে যাৰ এশ ভাগৰ এভাগও শ শ বিতৰ্কত লাভ কৰিব নোৱাৰি।

কৈছে যে এই হাদীছৰ পৰা আমি বহু কথাই জানিব পাৰি যাৰ দ্বাৰা আঁহজৰত (ছাঃ)ৰ চৰিত্ৰৰ বিভিন্ন অংশ

উজ্জ্বলিত হৈ উঠে আৰু ইয়াতে সেইবোৰ বৰ্ণনা কৰাটো ঠিক হ'ব বুলি অনুমান হয়। পোনপ্ৰথমে এয়া অনুমান হয় যে আঁহজৰত (ছাঃ)য়ে দ্বীনদাৰীৰ ওপৰত কিমান গুৰুত্ব দিছিল। তেখেত (ছাঃ)য়ে দ্বীনদাৰৰ ওপৰত ইমানেই দৃষ্টি ৰাখিছিল যে ৰাতিৰ বেলিকা গৈ গৈ নিজৰ আত্মীয়-স্বজনৰ খবৰ লৈছিল। বহু লোক এনেকুৱা আছে যিসকলে নিজে পুণ্যবান আৰু লোককও পুণ্যবান হোৱাৰ শিক্ষা দি থাকে।

কিন্তু তেওঁলোকৰ ঘৰৰ পৰিৱেশ পৰিস্থিতি বেয়া হৈ থাকে। মানুহক তৰবিয়ত দিয়াৰ ইচ্ছা আৰু আগ্ৰহ এনেকুৱা এটা উচ্চ পৰ্যায়ৰ গুণাৱলী যদি সেয়া আঁহজৰত (ছাঃ)ৰ মাজত নেথাকিলেহেঁতেন তেন্তে তেখেত (ছাঃ)ৰ চৰিত্ৰত এটা মহামূল্যবান ৰত্ন কম থাকি গ'লহেঁতেন। কিন্তু যিহেতু তেখেত (ছাঃ) উচ্চতম পৰ্যায়ৰ অধিকাৰী আছিল সেয়ে এই গুণটোও তেখেত (ছাঃ)ৰ মাজত যথেষ্ট আছিল।

দ্বিতীয় কথাটো এয়া অনুমান হয় যে এই শিক্ষাৰ ওপৰত আঁহজৰত (ছাঃ)ৰ পূৰ্ণ বিশ্বাস আছিল। যি তেখেত (ছাঃ)য়ে জগতবাসীৰ আগত আগবঢ়াইছিল, মাজ নিশাত উঠি তেখেত (ছাঃ)য়ে যোৱা আৰু নিজৰ জীয়েক, জোৱায়েকক মনত পেলাই দিয়া যে তেওঁলোকে উঠি তাহাজ্জুদ পঢ়ক, এই কাৰ্যই তেখেত (ছাঃ)ৰ পূৰ্ণ বিশ্বাসৰ প্ৰমাণ দিয়ে। যি বিশ্বাস তেখেত (ছাঃ)য়ে এই শিক্ষাৰ ওপৰত ৰাখিছিল যাৰ ওপৰত তেখেত (ছাঃ)য়ে মানুহক চলাব খুজিছিল, সেই বিশ্বাসৰ পূৰ্ণতাৰ প্ৰমাণ দিয়ে। নহলে এজন অসাধু ব্যক্তি যিজনে জানে যে এটা শিক্ষাৰ অনুধাৱন কৰি চলা আৰু নচলা একেই কথা, তেওঁ কেতিয়াও নিজৰ সন্তানক এনেকুৱা মাজ ৰাতিত গৈ এই শিক্ষাৰ ওপৰত আমল কৰিবলৈ নচিহত কৰিব নোৱাৰে।

তৃতীয় কথাটো হ'ল সেয়া যাক প্ৰমাণ কৰিবলৈ এই ঘটনা বৰ্ণনা কৰা হৈছে যে আঁহজৰত (ছাঃ)য়ে প্ৰত্যেকটো কথা ভালদৰে বুজাবলৈ কোমলতা আৰু ধৈৰ্যৰ সৈতে কাম কৰিছিল আৰু বিতৰ্কৰ ঠাই নিদি মৰম চেনেহৰে কাৰোবাৰ কোনো ভুল সুধৰাই দিয়া কৰিছিল। গতিকে হজৰত আলি (ৰাঃ)য়ে কৈছে যে মই ইয়াৰ পিছত আৰু কেতিয়াও তাহাজ্জুদ নামাজ এৰি দিয়া নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই ঘটনা আমি তাহাজ্জুদ নামাজ সম্পৰ্কে মনত ৰখা উচিত আৰু বিশেষকৈ মুৰববী ছিলছিলা আৰু ওৱাকফে জিন্দেগী সকল আৰু পদবীদাৰ সকলে এই ফালে মনোযোগ দিয়া উচিত। ৰাতিৰ দোৱাবোৰেই দোৱা, যিয়ে গৈ আল্লাহ তা'লাৰ কৃপা টানি লৈ আনে। গতিকে বৰ্তমানে বিশ্বক ভয়াবহ ধ্বংসৰ হাতৰ পৰা ৰক্ষা কৰাৰ বাবে এনেকুৱা দোৱাৰ অতি প্ৰয়োজন হৈ পৰিছে।

ইয়াৰ পিছত ক্ৰমানুসাৰে ঘটনাৰ বৰ্ণনাত বনু কিনাকাৰ যুদ্ধৰ বিষয়ে উল্লেখ আছে। দুই হিজৰীত এই যুদ্ধ সংঘটিত হৈছিল। যেতিয়া ইছলামৰ আহ্বানত আউচ আৰু খজৰজ কবিলা দুটা অতীতৰ শত্ৰুতা এৰি এক হৈ পৰে তেতিয়া ইহুদী সকলে এই বিষয়টো বৰকৈ বেয়া পায় আৰু বিভিন্ন ধৰণৰ প্ৰৰোচনাৰে এওঁলোকৰ এজনে আনজনৰ বিৰোধী হ'বলৈ উচটনি দিয়ে। এনেকুৱা অৱস্থাতে এবাৰ  আউচ আৰু খজৰজৰ লোকৰ মাজত বিতৰ্কৰ উত্থান হৈ পৰে আৰু দুয়োফালেই যুদ্ধ প্ৰস্তুতি আৰম্ভ হয়। বদৰৰ যুদ্ধত আল্লাহ তা'লা মুছলমান সকলক বিজয় দান কৰাৰ লগে লগে ইহুদী সকলৰ প্ৰতাৰণাৰ ঢাকনি খোল খাই পৰে। ইহুদী সকলৰ মাজত সৰ্বপ্ৰথম যিটো কবিলাই চুক্তি ভঙ্গ কৰিছিল সেই কবিলাটো আছিল বনু কিনাকাৰ কবিলা। বনু কিনাকাৰ চয়তানিৰ এটা ঘটনা এনেদৰে বৰ্ণিত আছে যে এজনী মুছলমান মহিলাই এবাৰ বনু কিনাকাৰ বজাৰলৈ যোৱাত তাৰে কিছুমান দুষ্ট প্ৰকৃতিৰ লোকে তাইক বৰকৈ অশালীন ব্যৱহাৰ কৰে, এনেকৈ তাইৰ গাৰ কাপোৰ সোলোকাই পেলায় আৰু মহিলাজনী উলঙ্গ হৈ পৰে। এনেতে সেই ফালেদি এজন মুছলমানে পাৰ হৈ যাওঁতে সেই দৃশ্য দেখিবলৈ পায় আৰু ইহুদী সকলৰ সেই কাৰ্য্যত বাধা দিয়ে। তাতে লড়াই হোৱাত উক্ত মুছলমানজনে এজন ইহুদীক হত্যা কৰি পেলায়। লগে লগে বাকী ইহুদী সকলে মুছলমান লোকজনৰ ওপৰত আক্ৰমণ চলাই তাক হত্যা কৰে। যেতিয়া এই খবৰ আঁহজৰত (ছাঃ)ৰ

কাণ পায়গৈ, আঁহজৰত (ছাঃ)য়ে ইহুদী সকলক বুজাবলৈ বহুত চেষ্টা কৰে কিন্তু তেওঁলোকে কোনো ধৰণৰ বুজ লোৱাৰ সলনি মুছলমান সকলক ধমকি দিবলৈ আৰম্ভ কৰে। ইয়াৰ পিছত ইহুদী সকলে গৈ নিজৰ দুৰ্গত আশ্ৰয় লয়। ইফালে আঁহজৰত (ছাঃ)য়ে ইহুদী সকলৰ ফালে যাত্ৰা কৰে। মুছলমান সকলে বনু কিনাকাৰ দুৰ্গ প্ৰায় পোন্ধৰ দিনমান ঘেৰাও কৰি ৰাখে, এনেদৰে আৱদ্ধ হৈ থাকি ইহুদী সকলে অৱশেষত বাধ্য হৈ মদিনাৰ পৰা উচ্ছেদ হৈ চিৰদিনৰ বাবে গুচি যোৱাৰ আবেদন জনায়। আঁহজৰত (ছাঃ)য়ে ইহুদীসকলৰ সেই আবেদন গ্ৰহণ কৰি লয় আৰু ইহুদী সকলক মদিনাৰ পৰা গুচি যাবলৈ আদেশ দিয়ে।

বনু কিনাকাৰ যুদ্ধৰ তাৰিখ সম্পৰ্কে মতভেদ থকা দেখিবলৈ পোৱা যায়। ওৱাকদি আৰু ইবনে ছাআদে মত পোষণ কৰে যে এই যুদ্ধ দুই হিজৰিৰ শ্বোৱাল মাহত সংঘটিত হৈছিল। ইবনে ইছহাক আৰু ইবনে হিশামৰ মতে এই যুদ্ধ ছবেকৰ যুদ্ধৰ পিছত সংঘটিত হৈছিল। যি ইছলামী পঞ্জিকা মতে দুই হিজৰিৰ জিলহজ্ব মাহৰ প্ৰথম ভাগত হোৱা বুলি ধৰা হয়। আন এটা হাদীছ অনুযায়ী বৰ্ণনা পোৱা যায় যে বনু কিনাকাৰ যুদ্ধ হজৰত ফাতিমা (ৰাঃ)ৰ বিবাহ পৰ্বৰ পিছত সংঘটিত হৈছিল।

খোতবা জুমাৰ শেষত হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনাৰ ধাৰাবাহিকতা ইনশা আল্লাহ আগলৈও চলিব লগতে বৰ্তমান বিশ্বৰ ভয়াবহ পৰিস্থিতি সম্পৰ্কে দোৱা কৰিবলৈ আহ্বান জনায়। হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হামাছ আৰু ইজৰাইলৰ যুদ্ধৰ ফলত নিষ্পাপ পেলেষ্টাইনী নাৰী আৰু কণ কণ ল'ৰা-ছোৱালীবিলাক শ্বাহাদত বৰণ কৰিবলগীয়া হৈ আছে। যুদ্ধৰ পৰিস্থিতি যেনেকৈ বেগেৰে ভয়াবহ ৰূপ ধাৰণ কৰি আছে আৰু ইজৰাইল চৰকাৰ লগতে ডাঙৰ ডাঙৰ শক্তি বিলাকে যি নীতি অৱলম্বন কৰিবলৈ লৈছে, তাৰ পৰা বুজা যায় যে বিশ্ব যুদ্ধৰ সুত্ৰপাত হোৱাটো অৱশ্যাম্ভাৱী হৈ পৰিব।কিছুমান ইছলামী দেশৰ নেতৃবৃন্দ, ৰাছিয়া, চীন আৰু কিছুমান পশ্চিমীয়া দেশৰ অভিজ্ঞ পণ্ডিত সকলে এয়া মুকলি ভাৱে কৈ আছে আৰু লিখি আছে যে যুদ্ধৰ পৰিসৰ দ্ৰুতবেগে বাঢ়ি গৈ থকা দেখিবলৈ পোৱা গৈছে। যদি অতি সোনকালে এই যুদ্ধ নীতি বন্ধ কৰাৰ পৰিকল্পনা হাতত লোৱা নহয় তেন্তে বিশ্বখন ধ্বংসৰ মূখত পতিত হ'ব। সকলো খবৰতেই পোৱা যায় যে পৰিস্থিতি সংকট অৱস্থালৈ ঢাল খাই আছে। আপোনালোক সকলোৰে আগত দৃশ্যটো জল-জল পট-পট হৈ দেখা দিছে গতিকে আহমদী সকলে দোৱাৰ ফালে বিশেষ মনোযোগ প্ৰদানৰ আৱশ্যক হৈ পৰিছে। আপোনালোকে আৰামত বহি নাযাব, প্ৰত্যেক নামাজৰ এটা ছিজদা অথবা কমপক্ষে কোনো এটা নামাজত এটা ছিজদা অৱশ্যই এই কাৰণে আদায় কৰা উচিত। তাতে দোৱা কৰা উচিত। পশ্চিমীয়া বিশ্বৰ অথবা যিকোনো দিশৰ নেতৃবৰ্গই এই বিষয়ে ন্যায়ৰ পথ অৱলম্বন কৰিব বিচৰা নাই। আহমদী সকলে এই বিতৰ্কৰ মাজত নাযাব যে কোনো কোনো দেশৰ নেতৃবৃন্দ ভাল অথবা ভাল নহয়। যেতিয়ালৈকে সাহসেৰে সৈতে যুদ্ধ বন্ধ কৰাৰ পৰিকল্পনা হাতত লোৱা নহয় আৰু কোনেও যদি এই বিষয়ে আগুৱাই নাহে তেন্তে তেওঁলোকেই এই ধ্বংস যজ্ঞৰ বাবে জগৰীয়া হ'ব। গতিকে নিজৰ নিজৰ ঠাইতে দোৱাৰ সৈতে এই বাৰ্তা প্ৰচাৰৰ চেষ্টা কৰি থাকক যে জুলুম অত্যাচাৰ বন্ধ কৰক। যদি কোনো আহমদীৰ কাৰো সৈতে সম্পৰ্ক আছে তেন্তে সি তাক বুজাবলৈ চেষ্টা কৰক। ইজৰাইলে কৈ আছে যে হামাছ আমাৰ নিষ্পাপ নগৰবাসী সকলক হত্যা কৰিছে, গতিকে আমি তাৰ প্ৰতিশোধ ল'ম। কিন্তু এতিয়া সেই প্ৰতিশোধৰ কাৰুকাৰ্য সীমা চেৰাই গৈছে। ইজৰাইলৰ প্ৰাণ নাশৰ যি বৰ্ণনা দিয়া হয় তাৰ তুলনাত চাৰি পাঁচ গুণ বেছি পেলেষ্টাইনৰ নিষ্পাপ প্ৰাণৰ ক্ষতি সাধন হৈছে। যদি হামাছক একেবাৰে নিঃশ্বেষ কৰাৰ অভিপ্ৰায় আছে তেন্তে কেৱল তেওঁলোকৰ লগতহে যুদ্ধ কৰা উচিত। নাৰী আৰু কণ কণ ল'ৰা-ছোৱালীক কিয় টাৰ্গেট বনাই লৈছে। এনেদৰে পানী, খাদ্য,চকিৎসা সেৱা আদি বন্ধ কৰি দিছে। মানৱ অধিকাৰ আৰু যুদ্ধ নীতিৰ যি দাবী তাৰ ওপৰত মাধমাৰ পৰিছে। যিয়েই নহঁওক কিছুমান লোকে এইফালে আঙুলিয়াই দি আছে যেনেকৈ প্ৰাক্তন আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক অভামা কেইদিনমান

আগত কৈছিল যে যদি যুদ্ধ কৰিবলৈ আছে তেন্তে যুদ্ধৰ নীতিবোৰ আগত ৰাখি যুদ্ধ কৰা উচিত। নিৰ্দোষ নগৰবাসীৰ ওপৰত অত্যাচাৰ হোৱা উচিত নহয়। এই কথাখিনি আন্তৰ্জাতিক সংস্থাৰ জেনেৰেল চেক্ৰেটাৰী চাহাবেও কৈছিল তাতে ইজৰাইলৰ চৰকাৰে তাৰ প্ৰতিবাদ কৰিছিল তেতিয়া বিশ্বৰ ডাঙৰ ডাঙৰ শক্তি বিলাকৰ নেতৃবৃন্দই যিয়ে নিজকে চ্যাম্পিয়ন বুলি ভাৱে তেওঁলোকে আন্তৰ্জাতিক সংস্থাৰ চেক্ৰেটাৰীৰ সপক্ষে একো মাত মতা নাই বৰং সেয়া অপছন্দহে কৰিছে। যিয়েই নহওঁক পৰিস্থিতি পৰিৱেশ বৰ ভয়াবহ হৈ উঠিছে আৰু বেছি বেয়া পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে।

পশ্চিমৰ মিডিয়া বিলাকে এফালৰ খবৰ বিলাক বঢ়াই চৰাই প্ৰচাৰ কৰে। বেলেগ ফালৰ খিনি এটা কোণত চমুকৈ অলপ লিখি থয়। উদাহৰণ স্বৰূপে যোৱা কেইদিনমান আগতে ৰেহাই পোৱা এজনী মহিলায় কৈছে যে কাৰাগাৰত মোৰ সৈতে ভাল ব্যৱহাৰ আচৰণ কৰা হৈছে, এই খবৰ কেৱল মাত্ৰ এটা কোণত লিখি যোৱা হৈছে। কিন্তু এয়া যি বৰ্ণনা কৰা হৈছে যে হামাছৰ কাৰাগাৰ এটা জাহান্নাম আছিল, সেয়া ডাঙৰ খবৰ বনাই লিখা হৈছে। ন্যায় হ'ল এয়া যে সকলো বিষয় পৰিস্থিতি একেদৰে প্ৰচাৰ কৰা যাতে বিশ্বই সেয়া বিচাৰ কৰি মত পোষণ কৰিব পাৰে। যিয়েই নহওঁক বৰ্তমান পৰিস্থিতিৰ অন্ত পৰিবলৈ আমি বেছি দোৱা কৰিব লাগিব।

নিজৰ ক্ষমতাৰ ভিতৰত থাকিলে দোৱাৰ লগে লগে আমাৰ চেষ্টাও কৰিব লাগিব। নিপীড়িত মুছলমান সকলৰ বাবে দোৱা কৰিব যাতে তেওঁলোকক আল্লাহ তা'লাই মুক্তিৰ বাট পসস্ত কৰি দিয়ে। আনহাতে মুছলিম দেশবোৰৰ চৰকাৰে এটা সংঘবদ্ধ পৰিকল্পনা হাতত লোৱাৰ বাবে দোৱা কৰিব। মুছলমান ভাই সকলৰ কষ্ট দূৰ হ'বলৈ আমি এটা বিশেষ বেদনা উপলব্দি কৰা উচিত। আমি আহমদী সকল হজৰত মছীহ মাওউদ (আঃ)ৰ মান্যকাৰী তথাপি আমি অআহমদী মুছলিম ভাই সকলৰ দুখত দুখিত হৈছো, হ'বই লাগিব। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ এটা ফাৰ্চী কবিতাত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি লিখিছে যে হে মন! তুমি তেওঁলোকক সন্মান কৰা, যিয়েই নহওঁক তেওঁলোকে মোৰ প্ৰিয় পয়গম্বৰক ভাল পোৱাৰ দাবী কৰে। গতিকে আঁহজৰত (ছাঃ)ৰ প্ৰতি থকা প্ৰেমৰ বৰ্হিপ্ৰকাশ হ'ল যে আমি মুছলমান সকলৰ বাবে দোৱা কৰো। আল্লাহ তা'লা আমাক তাৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 27 October 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844